ভাৰত চৰকাৰ
বিধি আৰু ন্যায় মন্ত্ৰালয়

# কৰশোধ (সম্পত্তি হস্তান্তৰকৰণ) অধিনিয়ম, ১৯৪৯

(১৯৪৯ ৰ ২২ নং অধিনিয়ম)

[১ জুন, ১৯৯০ তাৰিখে যথা বিদ্যমান]

# The Payment of Taxes (Transfer of Property) Act, 1949

(Act No. 22 of 1949)

[As on the 1st June, 1990]

ভাৰত চৰকাৰৰ হকে, অসম চৰকাৰ (বিধান বিভাগ) ৰ দ্বাৰা প্ৰকাশিত আৰু
অসম চৰকাৰী ছপাশালত মুদ্ৰিত, গুৱাহাটী - ২১

## পাতনি

১ জন, ১৯৯০ তাৰিখে যথা বিদ্যমান কৰশোধ (সম্পত্তি হস্তান্তৰকৰণ) অধিনিয়ম, ১৯৪৯ (১৯৪৯ৰ ২২ নং)ৰ এই সংস্কৰণত এই অধিনিয়মৰ অসমীয়াত প্ৰাধিকৃত অনুবাদ আছে আৰু এই অসমীয়া অনুবাদ ৭/৯/১৯৯০ তাৰিখৰ ভাৰতৰ ৰাজপত্ৰ, অসাধাৰণ, ভাগ—৬, অনুভাগ—১, নং ১, খণ্ড ১ৰ পৃষ্ঠা ৭৯ৰ পৰা ৮১ত প্ৰকাশিত হৈছিল।

প্ৰাধিকৃত পাঠ (কেন্দ্ৰীয় বিধি) অধিনিয়ম, ১৯৭৩ৰ ধাৰা ২ৰ খণ্ড (ক)ৰ অধীনত ৰাষ্ট্ৰপতিৰ প্ৰাধিকাৰাধীনে অসমীয়াত এই প্ৰাধিকৃত অনুবাদ প্ৰকাশ কৰা হৈছিল আৰু এনেদৰে প্ৰকাশ হোৱাত অসমীয়াত এই অধিনিয়মৰ প্ৰাধিকৃত পাঠৰূপে গণ্য হ'ব।

## PREFACE

This edition of the Payment of Taxes (Transfer of Property) Act, 1949 (22 of 1949) as on the 1st June, 1990 contains the authorised translation of that Act in Assamese and the same was published in the Gazette of India, Extraordinary, part VI, Section 1, No. 1, Vol. 1 dated 7th September, 1990 on pages 79 to 81.

This authorised translation in Assamese was published under the Authority of the President under clause (a) of section 2 of the Authoritative Texts (Central Laws) Act, 1973 and on such publication, it became the authoritative texts of the Act in Assamese.

New Delhi
Date 24-10-90

V. S. RAMA DEVI,
Secretary to the Govt. of India.

## কৰশোধ (সম্পত্তি হস্তান্তৰকৰণ) অধিনিয়ম, ১৯৪৯

### ধাৰাসমূহৰ ক্ৰম


ধাৰাসমূহ

১। সংক্ষিপ্ত নাম আৰু বিস্তাৰ।

২। অধিনিয়মৰ প্ৰয়োগ।

৩। দলিল পত্ৰ পৰীক্ষণ কৰাৰ আগতে কৰ আদায়।

৪। প্ৰমাণ-পত্ৰ নোহোৱাকৈ হস্তান্তৰ কৰা সম্পত্তিৰ ক্ষেত্ৰত কৰ আদায়।

৫। আপীলৰ অধিকাৰ।

৬। অন্য বিধিৰ ওপৰত অধিনিয়মৰ প্ৰভাৱ।

৭। বাদৰ প্ৰতিবন্ধক।

৮। নিয়ম প্ৰণয়নৰ ক্ষমতা।

৯। ১৯৪৮ চনৰ ২১ নং অধ্যাদেশৰ ম্যাদ উকলাৰ ফল।

# কৰশোধ (সম্পত্তি হস্তান্তৰকৰণ) অধিনিয়ম, ১৯৪৯

(১৯৪৯ ৰ ২২ নং অধিনিয়ম)

(৯ জুন, ১৯৯০ তাৰিখে যথাবিদ্যমান)

কিছুমান ক্ষেত্ৰত সম্পত্তিৰ হস্তান্তৰকৰণ কৰাৰ আগতে কৰ শোধোৱাৰ উপবন্ধ কৰণাৰ্থে এখনি অধিনিয়ম।

[২২ এপ্ৰিল, ১৯৪৯]

যিহেতু কিছুমান ক্ষেত্ৰত সম্পত্তিৰ হস্তান্তৰকৰণ পঞ্জীয়ন কৰাৰ আগতে কৰ আদায়ৰ বাবে উপবন্ধ কৰা সমীচীন ;

এতদ্দ্বাৰা নিম্নলিখিত ধৰণে অধিনিয়মিত কৰা হল :—

সংক্ষিপ্ত নাম আৰু বিস্তাৰ।

১। (১) এই অধিনিয়মৰ নাম কৰ শোধ (সম্পত্তি হস্তান্তৰকৰণ) অধিনিয়ম, ১৯৪৯।

(২) এই অধিনিয়ম সমগ্ৰ ভাৰতলৈ বিস্তৃত হব।

অধিনিয়মৰ প্ৰয়োগ।

২। এই অধিনিয়ম তেনে কোনো ব্যক্তিৰ ওপৰত প্ৰয়োগ হব :—

(i) যিবিলাক ব্যক্তি ভাৰত আৰু পাকিস্তান ডমিনিয়ন, প্ৰতিষ্ঠা হোৱাৰ হেতুকে অথবা আভ্যন্তৰীণ গণ্ডগোল বা তেনে গণ্ডগোলৰ ভয় হেতুকে ১৯৪৭ চনৰ ১৪ আগষ্ট তাৰিখে ভাৰতৰ কোনো ঠাই এৰি ভাৰতৰ বাহিৰৰ কোনো ঠাইলৈ যায় বা গ'ল বা যি উক্ত তাৰিখৰ পৰা ভাৰতৰ বাহিৰৰ কোনো ঠাইত বাস কৰি আছে ; বা

(ii) যি ভাৰতীয় আয়কৰ অধিনিয়ম, ১৯২২ ৰ ধাৰা (৫)ৰ উপধাৰা (১) ত বিনিৰ্দিষ্ট কৰা ধৰণৰ আয়কৰ প্ৰাধিকাৰী বা কোনো ভগনীয়া সম্পত্তিৰ তত্ত্বাৱধায়ক বা সমাহৰ্তাৰ মতে ভাৰতৰ বাহিৰৰ কোনো ঠাইত বসবাস কৰাৰ উদ্দেশ্যেৰে ভাৰত ত্যাগ কৰাৰ সম্ভাৱনা আৰু যাৰ সম্পৰ্কে য'ত সেই ব্যক্তিজনৰ সম্পত্তি অৱস্থিত সেই অঞ্চলৰ তেনে আয়কৰ অধিকাৰী, ভগনীয়া সম্পত্তিৰ তত্ত্বাৱধায়ক বা সমাহৰ্তাৰ পৰা এনে ঘোষণা পোৱা হয় যে তেওঁ তেনে এক ব্যক্তি যাৰ ওপৰত এই অধিনিয়ম প্ৰযোজ্য।

দলিল পত্ৰ পঞ্জীয়ন কৰাৰ আগতে কৰ আদায়।

৩। (১) ভাৰতীয় পঞ্জীয়ন অধিনিয়ম, ১৯০৮ ৰ ধাৰা ১৭ ৰ উপধাৰা (১)ৰ
খণ্ড (ক), খণ্ড (খ), খণ্ড (গ), অনুসৰি পঞ্জীয়ন কৰিবলগীয়া কোনো লিখিত
পত্ৰৰ দ্বাৰা এই অধিনিয়ম প্ৰয়োগ হোৱা কোনো ব্যক্তিৰ খেতি মাটিৰ বাহিৰে
কোনো সম্পত্তিৰ অধিকাৰ, স্বত্ব বা স্বাৰ্থ যদি হস্তান্তৰ, আৰোপিত, সীমিত ১৯০৮ চনৰ
বা লোপ কৰিবলৈ বিচৰা হয়, উক্ত অধিনিয়ম অনুসৰি নিয়োজিত কোনো ১৬
পঞ্জীয়ন বিষয়াই এই লিখিত পঞ্জীয়ন নকৰিব যদিহে সম্পত্তি অৱস্থিত
অঞ্চলৰ আয়কৰ বিষয়াই যি ব্যক্তিৰে সম্পত্তিৰ স্বত্ব, অধিকাৰ বা স্বাৰ্থ
লিখিত পত্ৰৰ অধীনত হস্তান্তৰ, আৰোপিত পৰিসীমিত বা লোপ কৰিবলৈ
ব্যক্তিজনৰ বিষয়ত এই বুলি প্ৰমাণ পত্ৰ নিদিয়ে যে—

(ক) ভাৰতীয় আয়কৰ অধিনিয়ম, ১৯২২, অতিৰিক্ত লাভকৰ অধিনিয়ম, ১৯২২ চনৰ
১৯৪০ বা ব্যৱসায় লাভ কৰ অধিনিয়ম, ১৯৪৭ অনুসৰি তেনে ব্যক্তিজন ১১
কৰ আৰোপণ বা নিৰ্ধাৰণৰ বাবে দায়গ্ৰস্ত নহয় ; বা ১৯৪০ চনৰ
১৫
১৯৪৭ চনৰ

(খ) এই উপধাৰাৰ খণ্ড (ক)ত বিনিৰ্দিষ্ট কোনো অধিনিয়মৰ অধীনত ২১
বৰ্তমান বা ভৱিষ্যতৰ দেয় সমূহ তেনেকুৱা ব্যক্তিয়ে হয় আদায় দিছে নতুবা
আদায়ৰ বাবে সন্তোষজনক ব্যৱস্থা কৰিছে ; বা

(গ) অন্য প্ৰকাৰে আয়কৰ বিষয়াজন এই বুলি প্ৰত্যয় গৈছে যে লিখিত পত্ৰৰ পঞ্জীয়নে এই উপধাৰাৰ খণ্ড (খ) ত উল্লিখিত বৰ্ত্তমান বা ভৱিষ্যতৰ দেয় সমূহক অনিচ্ছাকৃতভাৱে প্ৰভাৱিত নকৰিব।

(২) উপধাৰা (১)ৰ উপবন্ধৰ অধীনত প্ৰমাণ পত্ৰ দিবলৈ অস্বীকাৰ কৰা প্ৰত্যেক আয়কৰ বিষয়াই অস্বীকাৰৰ এটা আদেশ দিব আৰু তাৰ কাৰণ সমূহ লিপিবদ্ধ কৰিব আৰু এনে আদেশৰ দ্বাৰা ক্ষতিগ্ৰস্ত হোৱা বুলি দাবী কৰা কোনো ব্যক্তিয়ে আবেদন কৰিলে, যথাবিহিত মাচুল আদায়ৰ সাপেক্ষে তেওঁক হুকুমৰ এটা প্ৰতিলিপি দিব।

প্ৰমাণপত্ৰ নোহোৱাকৈ হস্তান্তৰ কৰা সম্পত্তিৰ ক্ষেত্ৰত কৰ আদায়।

৪। (১) যি ক্ষেত্ৰত ১ নবেম্বৰ, ১৯৫৬ ৰ ঠিক আগে আগে বোম্বে, পশ্চিমবঙ্গ, পঞ্জাব, বিহাৰ, দিল্লী আৰু আজমীৰৰ অন্তভূৰ্ক্ত ৰাজ্যক্ষেত্ৰ সমূহত আৰু যি ৰাজ্যক্ষেত্ৰ সম্পত্তি হস্তান্তৰকৰণ অধ্যাদেশ, ১৯৪৮ প্ৰযোজ্য কৰা হৈছে তেনে প্ৰযোজ্য কৰণৰ তাৰিখে বা তাৰ পিছত সেই ৰাজ্যক্ষেত্ৰত ১৯৪৮ চনৰ ফেব্ৰুৱাৰী মাহৰ সপ্তম দিনৰ দিনা বা পিচত কৰাএই অধিনিয়ম প্ৰযোজ্য হোৱা কোনো ব্যক্তিৰ কৃষিৰ মাটিৰ বাহিৰে অন্য কোনো স্থাবৰ সম্পত্তিৰ অধিকাৰ, স্বত্ব আৰু স্বাৰ্থৰ হস্তান্তৰকৰণ সম্পৰ্কত, সম্পত্তিটো য'ত অৱস্থিত সেই অঞ্চলৰ আয়কৰ বিষয়াই এই বিষয়ত তেনে ব্যক্তিক অন্ততঃ এমাহকালৰ জাননী দিয়াৰ পিচত এইবুলি যদি প্ৰত্যয় যায় যে সেই হস্তান্তৰকৰণ কৰাৰ দিনা এই অধিনিয়ম বলবৎ থকা হলে ধাৰা (৩) ত উল্লিখিত অনুসাৰে সেই ব্যক্তিজনক কোনো প্ৰমাণ-পত্ৰ দিয়া নহল-হেতেন তেন্তে তেওঁ হস্তান্তৰকৰণৰ সকলো পক্ষ বা যিকোনো পক্ষৰ সম্পৰ্কত কৰ হিচাবে বৰ্ত্তমান আৰু পূৰ্ব্বকল্পিত দেয় সমূহ দেখুৱাই সমাহৰ্তালৈ এখন প্ৰবিৱৰণ পঠাব পাৰিব।

(২) উপধাৰা (১)ৰ অধীনত কোনো প্ৰবিৱৰণ পোৱাৰ পিচত সমাহৰ্তাই তেনে প্ৰবিৱৰণত দেখুৱা মুঠ ধনৰাশি উচল কৰিবৰ বাবে অগ্ৰসৰ হব যেনিবা ই ভূমি ৰাজহৰ বাকী পৰা অংশহে আৰু তেনে উচলকৰণ কাৰ্যবাহীৰ উদ্দেশ্যে উপৰোক্ত ধৰণে হস্তান্তৰিত অৱস্থাটো তেওঁ এনে ধৰণে মানি লব পাৰে যেন ই প্ৰবিৱৰণত নাম দিয়া সকলোৰে বা কোনো এজন ব্যক্তিৰহে।

আপীলৰ অধিকাৰ।

৫। ধাৰা ৩ ৰ উপধাৰা (২) ৰ উপবন্ধ সমূহৰ অধীনত প্ৰমাণ পত্ৰ দিবলৈ অস্বীকাৰ কৰা যি কোনো আয়কৰ বিষয়াৰ আদেশৰ বিৰুদ্ধে সেই আয়কৰ বিষয়াজন যাৰ নিম্নস্থ সেই আয়কৰ আয়ুক্তৰ ওচৰত আপীল খাটিব; যদিহে আদেশ দিয়াৰ ৩০ দিনৰ ভিতৰত তেনে আয়ুক্তৰ ওচৰত তাক পেশ কৰা হয় আৰু আয়ুক্তই তাৰ ওপৰত তেওঁ যেনে উপযুক্ত বুলি ভাবে তেনে আদেশ দিব পাৰে।

অন্য বিধিৰ ওপৰত অধিনিয়মৰ প্ৰভাৱ।

৬। তৎকালীন বলবৎ থকা কোনো অন্য বিধিত ইয়াৰ লগত সংগতিহীন যিহকে থাকক, এই অধিনিয়মৰ উপবন্ধবোৰ কাৰ্যকৰী হব।

বাদৰ প্ৰতিবন্ধক।

৭। এই অধিনিয়মৰ অধীনত সৰল বিশ্বাসেৰে কৰা বা কৰিবলৈ বাঞ্ছা কৰা যি কোনো কাৰ্যৰ সম্পৰ্কত কেন্দ্ৰীয় চৰকাৰ বা কোনো ব্যক্তি বা প্ৰাধিকাৰীৰ বিৰুদ্ধে বাদ, গোচৰ বা অন্য বিধিক কাৰ্যবাহী নচলিব।

নিয়ম প্ৰণয়নৰ ক্ষমতা।

**৮। (১) কেন্দ্ৰীয় চৰকাৰে ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা এই অধিনিয়মৰ উদ্দেশ্যসমূহ কাৰ্যকৰী কৰিবৰ বাবে আৰু বিশেষকৈ ধাৰা ৩ ৰ উপধাৰা (২) ৰ অধীনত আদায় কৰিবলগীয়া মাচুল বিহিত কৰিবৰ বাবে নিয়মাৱলী প্ৰণয়ন কৰিব পাৰিব।**

**(২) এই অধিনিয়মৰ অধীনত প্ৰণীত প্ৰত্যেক নিয়ম ইয়াক প্ৰণয়ন কৰাৰ পিছত যিমান সোনকালে সম্ভৱ হয়, অধিবেশন চলি থকা সময়ত এখন অধিবেশন বা দুখন বা ততোধিক ক্ৰমাগত অধিবেশনৰে গঠিত হব**

পৰা মুঠ ত্ৰিশ দিন কালৰ বাবে সংসদৰ প্ৰত্যেক সদনৰ সন্মুখত উপস্থাপন কৰিব লাগিব, আৰু যদিহে উপৰোক্ত অধিৱেশনৰ অব্যৱহিত পৰৱৰ্তী অধিৱেশন, বা ক্ৰমাগত অধিৱেশনসমূহৰ অৱসানৰ পূৰ্বে, উভয় সদনে নিয়মত কোনো সালসলনি কৰিবলৈ সন্মত হয় বা উভয় সদনে সন্মত হয় যে নিয়ম প্ৰণয়ন কৰিব নালাগে, তেন্তে তাৰ পিছত নিয়ম ক্ষেত্ৰবিশেষে এনে সালসলনিৰ আকাৰত প্ৰভাৱী হব বা একেবাৰে প্ৰভাৱী নহব; সেয়ে হলেও এনে সালসলনি বা বদ্ কৰণে সেই নিয়মৰ অধীনত পূৰ্বে কৃত কোনো কাৰ্যৰ বিধিমান্যতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলাব ।

১৯৪৮ চনৰ ২১ নং অধ্যাদেশৰ ম্যাদ উকলাৰ ফল ।

৯। কৰ শোধ অধ্যাদেশ, (সম্পত্তি হস্তান্তৰকৰণ) ১৯৪৮ ৰ ম্যাদ উকলিলে সাধাৰণ খণ্ড অধিনিয়ম, ১৮৯৭ ৰ ধাৰা ৬ ৰ প্ৰয়োগ হব যেনিবা অধ্যাদেশখন এক কেন্দ্ৰীয় অধিনিয়মৰ দ্বাৰাহে বাতিল কৰা হৈছিল ।